PLEASE HANDLE THE BOOK CAREFULLY

Year of Publication 1931

# যমপুৰী।

Data Entered

বেণুধৰ ৰাজখোৱা, বি-এ।

NOT TO BE ISSUED

ডিব্রুগড়।

১৯৩১ চন।

বেচ্।০ এমহা মাথোন।

DIBRUGARH H. S. KANOI COLLEGE LIBRARY

# যমপুৰী ।

—×—

প্ৰস্তাৱনা ।

( বৈকুণ্ঠধামত লক্ষ্মী-নাৰায়ণ উপবিষ্ট । )

লক্ষ্মী—প্ৰভু, বৃন্দাবনত অপোনাৰ যি মূৰ্ত্তিয়ে ৰাধাক সম্মোহিত কৰিছিল, সেই কলীয়া মূৰ্ত্তি মোৰ চাবৰ অভিলাষ হৈছে। কৃপা কৰি মোৰ মনোবাঞ্ছা পূৰ্ণ কৰিব নে ?

নাৰায়ণ—নাৰায়ণে লক্ষ্মীৰ কামনা পূৰ্ণ নকৰাকৈ থাকিব পাৰে নে ? কিন্তু তুমিও ৰাধা-সাজেৰে সজ্জিতা হৈ মোৰ ওচৰত থিয় দি থাকিব লাগিব । ৰাধাৰ সঞ্জীৱনী শক্তিৰ সঞ্চাৰ নহলে, কৃষ্ণৰ বাঁহীৰ মাত নুফুটে !

লক্ষ্মী—প্ৰভুৰ যেনে আজ্ঞা ।

( অকস্মাৎ বৈকুণ্ঠধাম ও লক্ষ্মী-নাৰায়ণ অদৃশ্য হয় । আৰু বৃন্দাবন ও ৰাধা-কৃষ্ণ আবিৰ্ভূত হয় । )

ৰাধা—( গীত )— নাহিবা নাহিবা, কলীয়া কানাই,
তুমি কপটীয়া যাই ।
যোৱাঁ যোৱাঁ যোৱাঁ, প্ৰিয়া চন্দ্ৰাৱলী

বাটলই আছে চাই ॥
চকুৰে নাচাওঁ কলীয়া মু'খনি,
মনেৰে সৌন্দৰ্য্য পিম ।
কাণেৰে নুশুনো বাঁহৰ বাঁহীটি ,
মনেৰে গান শুনিম ॥
নাকেৰে নুশুঙো বাহি কৰপদ্ম,
মনেৰে ঘ্ৰাণ লভিম ।
হাতেৰে নোছোওঁ চঞ্চল আঙ্গুলী,
মনেৰে স্পৰ্শ কৰিম ॥

কৃষ্ণ—(গীত) বাঁহীটি নিবোকা হল, হাতটি অঁকৰা মোৰ ।
নুফুটে বাহীঁৰ মাত, নুবুলে আঙ্গুলীবোৰ ॥
শুদ্ধ কণ্ঠস্বৰ হাঁয়, দোৱোল নাখায় জিবা ।
নাজানো কপালত মোৰ হৰ-লগা আছে কিবা ॥
ৰাধা বিনে কৃষ্ণ নাই, ৰাধা কৃষ্ণগত-প্ৰাণ ।
নহবা বিতুষ্টা প্ৰিয়া, নকঁৰা হে অভিমান ॥
তোমাক বিমনা দেখি, ম'ৰাই এৰিলে চালি ।
মালতীৰ গৰু ঠানি বেজাৰতে যায় হালি ॥

( অকস্মাৎ বৃন্দাবন ও ৰাধাকৃষ্ণ অদৃশ্য হয় । আৰু বৈকুণ্ঠধাম ও লক্ষ্মী-নাৰায়ণ আবিৰ্ভূত হয় । )

( যমৰজাৰ প্ৰবেশ )

যম— ( প্ৰণাম কৰি ) প্ৰভু, সদায় পাপীৰ আৰ্ত্তনাদ শুনি মোৰ প্ৰাণ নিৰস হ'ল । যি প্ৰেমৰ ঘাত-প্ৰতি-

যাতত বিশ্ব-ব্রহ্মাণ্ড ব্যাকুল, সেই প্রেমৰ জ্যোতি মোৰ ৰাজ্যত দেখিবলৈ পোৱা নাযায়। যি পবিত্র গান প্রেমৰ বাহন, সেই গান মোৰ ৰাজ্যত নাভূত-নাশ্রুত পদার্থ। মোৰ ৰাজ্যত কুলিয়ে কান্দে, ভোমোৰাই বিনায়, ফুলে কলমটিয়ায়। স্বর্গত অপেচৰীৰ গান হয়; ইন্দ্র আৰু অন্যান্য দেৱতা সকলে সেই গান শুনি নিজকে ধন্য মানিছে। কিন্তু মই সেই সুখৰপৰা বঞ্চিত। মোৰ বাহন এটি কুঞ্চ ম'হ, তাৰ টেটনি শুনিলে প্রেম কি বস্তু তাক ভাবিবলৈ ধৈর্য্য নাথাকে। প্রভু, যথাবিহিত আজ্ঞা কৰক।

নাৰায়ণ,— হে নৰকাধিপতি, মই সকলো জানিছোঁ। তোমাৰ অভিলাষ পূর্ণ হব।

যম—এতিয়া বিদায় মাগিলোঁ।

( প্রণাম কৰি প্রস্থান কৰে। )

( পট - ক্ষেপণ। )

প্রথম দর্শন।

যমপুৰী।

( এটা পাপীক টানি লৈ যমদূতৰ প্রবেশ। )

যম— ( পাপীলৈ চাই. ) তোৰ ক'ব লগীয়া কি আছে ?

পাপী—হে ধর্ম্ম-অৱতাৰ, মোৰ ধনৰ নাটনি নাছিল। আন মানুহে যি পাপ আচৰিবলৈ থেৰোগেৰো কৰে,

মই ধনৰ বলত সেই পাপ হেলাৰঙ্গে আচৰিছিলোঁ। পাপ-কাম কৰি দুই হাতে ধন চেটিয়াওঁ। তাকে কৰিলে কোনো মানুহে মোৰ পাপৰ কথা নকয়। হিন্দুৰ বাৰ মাহৰ তেৰ পাৰ্ব্বন মানিছিলোঁ। সৰ্ব্ব-সাধাৰণে মোক ধৰ্ম্মৰ ধুৰন্ধৰ বুলি ছিল। সিহঁতে কৈছিল, মোৰ নিচিনা ধৰ্ম্মিষ্ঠ পুৰুষ পৃথিবীত বিৰল। মই অৱশ্যে পাপ কৰিছিলোঁ বুলি নিজে জানিছিলোঁ। কিন্তু লগতে ইয়াকো ভাবিছিলোঁ যে পূজা-পাটলৰ পুণ্যৰ দ্বাৰা সেইবিলাক পাপৰ কটা-কটি হৈ পুণ্যৰ ভাগ মেলৈ বাঢ়ি থাকিব। মই যি যি সদ্‌কৰ্ম্ম কৰিছোঁ, তাৰে এটি তালিকা মোটামুটিকৈ মুখে মুখে দিওঁ।

চিত্ৰগুপ্ত—মই বাৰু হিচাবটো ধৰি যাওঁ।

পাপী—ব'হাগত বাসন্তী পূজা আৰু অন্নপূৰ্ণা পূজা ১০, ১০ নম্বৰ ধৰিলে ২০ হ'ব। জেঠত নৃসিংহ চতুৰ্দ্দশী ব্ৰত ৫। আহাৰত ৰথ-যাত্ৰা ১০। শাওণত দোলন যাত্ৰা ১০। ভাদত জন্মাষ্টমী ২০। আহিনত দুৰ্গাপূজা ১০০ লক্ষ্মী পূজা ১০। কাতিত কালী পূজা ৫০, জগদ্ধাত্ৰী পূজা ৫০, ৰাস যাত্ৰা ৫০। আঘোণত পাষাণ চতুৰ্দ্দশী ব্ৰত ৫। পুহত দধি সংক্ৰান্তি ব্ৰত ১০। মাঘত সৰস্বতী পূজা ৫০। ফাগুনত শিৱৰাত্ৰি ১০, দোল যাত্ৰা ৫০। চ'তত অশোকাষ্টমী ৫০।

এই খিনি মুঠাই মোৰ পুণ্য কিমান হ'ল চাওক।

চিত্র—মুঠ ৫০০ হ'ল।

পাপী— অটাইবিলাক পূজা, ব্রত, যজ্ঞ, সূৰ্যগ্ৰহণ, চন্দ্ৰগ্ৰহণ, তীৰ্থযাত্ৰা ইত্যাদি ধৰিলে মোৰ নম্বৰ ৫০০০ হব। সমুদায় পাপ ধৰিলেও তাৰ নম্বৰ ১০০০ ত কৈ বেচি নহব। এতেকে ৪০০০ নম্বৰ পুণ্যৰ হাতে মোলৈ জমা থাকিব লাগে। আপোনাৰ পেস্কাৰৰ হিচাবত কিবা ভুল হৈছিল।

যম— ( চিত্ৰগুপ্তলৈ চাই। ) তোমাৰ খাতাত ইয়াৰ হিচাবটো মেলি চোৱাঁচোন।

চিত্র— (খাতা মেলি) ইয়াৰ পাপ ১ লক্ষ, পুণ্য মুঠতে ৫।

যম— ই কি পুণ্য কৰিছিল ?

চিত্র— এটা ডকাইতে এজনী দিপ্-লিপ্ ছোৱালী ধৰি লৈ গৈছিল। এমাহমান তাইক তাৰ লগত ৰাখি পাচত বধ কৰাটোৱেই তাৰ অভিপ্ৰায় আছিল। এই মানুহটোৱে চীকাৰলৈ গৈ হাবিত লগ পাই তাইৰ ৰূপত মুগ্ধ হ'ল। তাৰ লগত দুই তিনিটা চাকৰ আছিল। সিহঁতৰ সহায় লৈ বহু প্ৰবন্ধেৰে খেদি গলত, ডকাইত পলাই সাৰিল। ছোৱালীজনা নিব নোৱাৰিলে। চিকাৰীয়ে পাই তাইক ঘৰলৈ আনি নিজৰ পত্নী কৰিলে। তাইৰ প্ৰাণৰক্ষা হল, সেই বাবে তাৰ পুণ্য ৫ হল। জীৱনত আৰু আন পুণ্য কৰা নাই।

পাপী – ( চিত্ৰগুপ্তলৈ চাই। ) আপুনি এইবিলাক কথা

কেনেকৈ জানিলে ? সম্বাদ-দাতাই আপোনাক নিশ্চয় সকলো কাৰ্য্যৰ যথাযথ সংবাদ নিদিয়ে। কিছুমান মিছাকৈ কয় আৰু কিছুমান অতিবৰ্দ্ধিত কৰে।

যম— ( হাঁহি হাঁহি। ) আমাক কোনেও সম্বাদ দিব নালাগে। মানুহে পৃথিবীত যি কাৰ্য্য কৰে, তাৰ হু-বহু চিত্ৰ, ঈশ্বৰৰ বিধান মতে, চিত্ৰগুপ্তৰ আগত পৰে হি। তাকে চাই চিত্ৰগুপ্তই পাপ-পুণ্য লিখে। তই উচ্ছৃঙ্খল কাম-শক্তিত গোটেই জীৱন অতিবাহিত কৰিলি। যত কাম কৰিছিলি, সকলোৰে মূলত নীচ কাম-ভাব নিহিত আছিল। তোৰ সমান পাপী জগতত বিৰল। পূজা, যজ্ঞ, হোম কৰিছিলি, কেৱল তিৰোতা মানুহ জমা কৰিবলৈ, আৰু সুবিধা পালে কাম-প্ৰবৃত্তি চৰিতাৰ্থ কৰিবলৈ। তীৰ্থ-দৰ্শনো সেই উদ্দেশ্যেৰেই হৈছিল। সকলো পূজা-পাটলত তোৰ অন্তৰত সদায় স্ত্ৰী-বৃত্তি জাগ্ৰত আছিল। এতিয়া তোৰ পাপৰ দণ্ড-বিধান হ'ব।

পাপী— (গীত) মৰিলোঁ বাপ্পো, অ' কলীদৈ।
হালিমতী বাই, জলাহী জাংফাই,
চাই লওঁ এবাৰ আহাঁ চেংদৈ॥

যম— তই তোৰ পৃথিবীৰ ঘৰতে ছাগলী হৈ জন্ম লবি। এয়ে তোৰ দণ্ড।

( কালফুৰা সফুৰাই পাপীক টানি লৈ প্ৰস্থান কৰে । )

যম— আজিৰ বিচাৰ শেষ হ'ল ।

( সকলোৰে প্ৰস্থান । )

## দ্বিতীয় দৰ্শন ।

( কালফুৰা সফুৰাৰ প্ৰবেশ । ওচৰতে এটা চোৰে কান্দে । )

( দূতৰ গীত )

এনেখন বিষয় নাখাওঁ হত-চিৰী-হোৰা ।
কিমান শুনিম দুখন কাণে শিয়ালবোৰৰ হোৰা ॥
কিমান কান্দে পাপী-তাপী,
বুঢ়া ডেকা আপা-আপী,
শোধাই দিছোঁ চাকৰিটো
লোৰাঁ লোৰাঁ লোৰাঁ ॥

( এফালৰপৰা দূতে চোৰক সভালৈ আনে । আন ফালৰপৰা যমৰজা আৰু অন্যান্যৰ প্ৰবেশ । )

যম— তোৰ ক'ব-লগীয়া কি আছে ?

চোৰ— মই চুৰ কৰোঁ, কিন্তু মোৰ নিজৰ নিমিত্তে নহয়; আই, ঘৈণী, লৰা-ছোৱালী ইত্যাদিক পুহিব লাগে । সিহঁতক নুখুৱালে জানো মোৰ পাপ নহ'ব ? খাবলৈ নেপালে সিহঁত নমৰিব নে ? তেতিয়া হ'লে মোৰ গাত স্ত্ৰী-হত্যা আৰু শিশু-হত্যা

পাপ নালাগিব নে? তদুপৰি, পৃথিবীৰ ৰজাই শাস্তি দিয়েই, তেনেহলে আকৌ এবাৰ ইয়াত কিয় শাস্তি দিব? বস্তু মাত্ৰেই ঈশ্বৰৰ। এটাই সৰহকৈ এসোপা গোটালেই সেই বস্তু তাৰ হ'ব নোৱাৰে। যদি সি এনেকৈ গোটায় হে, তেনেহলে সেইটো তাৰ পাপ। এনে বস্তু দুই চাৰিটা আনিলে কেনেকৈ মোৰ পাপ হ'ব? কত বৰলোকে চুৰ কৰি মহাসুখে খাই-বৈ থাকে। ইয়াতৈ আহিলে আপুনি তাক শাস্তি দিব পাৰে। কিন্তু পৃথিবীত তো সি সুখেৰে থাকিল। চুৰ কৰি সি পৃথিবীৰ সেই সুখ ভুঞ্জিব পৰাটো আপোনাৰ কেনেকুৱা ন্যায়-সঙ্গত বিধি? চুৰ কৰি চহকী হ'ব নোৱাৰিলোঁ বেই, তদুপৰি আপুনি এতিয়া মোক শাস্তি দিব। আৰু মই সৈ নললে আপুনি মোক কেনেকৈ দোষী সাব্যস্ত কৰিব। মোৰ শৰীৰৰ চৈধ্য সাক্ষীয়েই মোৰ বিপক্ষে ক'ব বুলি শাস্ত্ৰত লিখা আছে। কিন্তু সিহঁতৰ কথা আপুনি আইন মতে শুনিব নোৱাৰে। কিয়নো, সিহঁত মোৰ পাপৰ লগৰীয়া, বিশ্বাসৰ অযোগ্য। ভৰিয়ে যদি নচলো বুলি ক'লেহেঁতেন, চকুৱে যদি নাচাঁও বুলি ক'লেহেঁতেন, হাতে যদি নধৰোঁ বুলি ক'লেহেঁতেন, মই চুৰ কৰিব নোৱাৰোঁ। আপুনি নিজে গোচৰ তদন্ত কৰি দূত পঠাই ধৰাই আনি নিজে বিচাৰক হৈ বহিছে। এতেকে আইন মতে আপুনি মোৰ বিচাৰ কৰিব

নোৱাৰে।

যম— দূত, ইয়াৰ জিবাখন কাটি দে।

চোৰ— সৰ্গদেৱ, ঈশ্বৰ, যি শাস্তি দিয়ে দিয়ক, মই একো নামাতোঁ।

যম— বাৰু, জিবা কাটিব নালাগে। লোকৰ বস্তুলৈ লোভ কৰা বাবে তই শিয়াল হৈ জন্ম লবি।

( দূতে চোৰক টানি নিয়ে। )

যম— আজিৰ বিচাৰ শেষ হ'ল।

( সকলোৰে প্ৰস্থান। )

তৃতীয় দৰ্শন।

( যম আহি আসন লয়। দূতে এজন দুখীয়া মানুহ ধৰি আনে। )

যম— এইটো এটা হৃষ্ট-পুষ্ট মানুহ। চকু কেইটাও তেজাল আৰু বুদ্ধিমন্ত। সাজ-পাৰ দেখি ই নিচেই ভিকহু যেন লাগিছে। (দুখীয়ালৈ চাই) তোৰ কি কব-লগীয়া আছে ?

দুখীয়া— মই এজন শিক্ষিত মানুহ। বুদ্ধিও মোৰ যথেষ্ট আছে। মই দুখীয়া হোৱাৰ কাৰণ এয়ে যে বুদ্ধিৰ পৰিচালনা কৰি ধন ঘটিবলৈ মোৰ সমূলি ৰাপ নাছিল। লোকৰ শ্ৰী দেখিলে মোৰ গাত পোৰণি হয়। কোনো মানুহৰ কিবা এটা ভাল দেখিলে, তাৰ কেনেকৈ অ|কাৰ কৰোঁ,

ৰাতিয়ে দিনে সেয়ে মোৰ চিন্তা আছিল। তেনে কৰাত মোৰ সমূলি স্বাৰ্থ নাছিল। বৰং অনেক স্থলত মোৰ স্বাৰ্থৰ হানি হৈছিল। এইদৰে কৰি কৰি মই বহুত মানুহৰ সৰ্ব্বনাশ কৰিলোঁ। কিন্তু শেষত গৈ মই নিজে নাঙ্গং-নবস্ত্রং হ'লোঁ। পৃথিবীত তো মোৰ সুখ নহলেই, এতিয়া মৰিলতো আহি মই এই ঠাই পাইছোঁ হি। হে ধৰ্ম্ম-অৱতাৰ, মোৰ উপযুক্ত শাস্তি দিয়ক, মুৰ পাতি লওঁ।

যম— তই কণুৱা হৈ জন্ম লবি। ( দূতলৈ চাই ) দূত, আজি সময় অছে, আৰু এটা মানুহ লৈ আহ। ( দূতে দুখীয়াক লৈ যায় আৰু এটা অহঙ্কাৰীক লৈ আহে। )

যম— তোৰ কি ক'ব লগীয়া আছে ?

অহঙ্কাৰী— আপুনি মোক "তোৰ" বোলাটো উচিত হোৱা নাই। সকলোৱে মোক "আপুনি" বুলি হে সম্বোধন কৰে। যদিও কয়দী-স্বৰূপে ইয়ালৈ আহিছোঁ, তথাপি মোৰ আত্ম-মৰ্য্যদা আছে। আৰু মোক বহিবলৈও এখন আসন দিব লাগে। পৃথিবীত মোৰ ডাঙ্গৰ বিষয়-বাসনা অছিল, সেই কথা আপুনি ভাবি চাব লাগে।

যম— দূত, ইয়াক দুগালে দুটা তাপোঁচ-তাপোঁচ কৰে চৰ মাৰ।

( কালফুৰাই চৰ মাৰে। )

অহঙ্কাৰী—দূত, খবৰ দাৰ, তই চাকৰ হে। হাকিমে মাৰিলে মাৰিব পাৰে, তই কোন। তোক মই এতিয়াই পোন কৰিব পাৰোঁ।

কালফুৰা— ঔ আই, এইটো আকৌ কি! সফুৰা, তোৰ আগতে দেখোন ই মোক কিবাকিবি কয়!

সফুৰা— মোৰ বান্ধক দেখোন কেটেৰা-জেঙেৰা কৰ, মোৰ আগতে। পটা-পিহা দিম বুলি জনা নাই নে? হেৰ কালফুৰা, ইয়াক ধৰি পকা চপৰাণীত চোচোৰাব লাগিল।

কালফুৰা— এইটো বৰ নিধক পাপী। এটা পিচ লাথিকে মাৰি দিওঁ নে কি?

চিত্ৰ— হেৰ, তহঁতে হাই নকৰিবি। এইটো বৰ গণ্ডপী মানুহ। গণ্ডপ মাৰোঁতেই ই আজি আমাৰ হাতত পৰিছে হি। হজুৰে ইয়াৰ যথেষ্ট শাস্তি বিহিব।

অহঙ্কাৰী— মই তহঁতৰ আইন নামানো। তহঁতে বলেৰে যি কৰিব পাৰ কৰ। তহঁতে মোৰ শৰীৰৰ ওপৰত অত্যাচাৰ কৰ, হানি নাই। কিন্তু আত্মা অজেয়। কাৰ সাধ্য, মোৰ আত্মা অৱনত কৰিব পাৰে। আত্মা ঈশ্বৰৰ দান।

যম— (অহঙ্কাৰীলৈ চাই) তই হাতী হৈ জন্ম লবি। আৰু তই যে আদালত অৱমাননা কৰিলি, তাৰ বাবে তোৰ দণ্ড——৩ টা বগলি-খোঁট আৰু ৩ টা কপৌ-চেলেকা।

( কালফুৰাই ৩ টা বগলি-খোঁট দিয়ে আৰু নফুৰাই ৩ টা কপৌ-চেলোৱা দিয়ে। তাৰ পাচত দুয়ো ধৰি চোচোৰাই লৈ যায়। )

যম— আজিলৈ সভা ভঙ্গ হওক।

( সকলোৰে প্ৰস্থান।)

চতুৰ্থ দৰ্শন।

(কালফুৰা নফুৰাই এটা খঙ্গাল মানুহক টানি আনে।)

কাল— এইটো এনে খঙ্গাল মানুহ দেও হে। একেবাৰে টিঙ্গিৰি-ভুলা হৈ থাকে। তাৰে গাত ঘাটি, সিয়ে আকৌ গৰজি উঠে। আজি বাপেকে ভালকৈ এনেক' দিলোঁ।

নফুৰা— তই বাৰু বাটতে কোনটো সাহেৰে পলাইছিলি? আমাৰ গালত এটা এটা চৰ হে মাৰিলি, তোৰ পিঠিত কিমান ঔ-কিল পৰিল, হিচাব আছে নে?

কাল— উস্ কটা! ই আমাক ভাল বিপদত পেলাব খুজিছিল। তাৰ জঁকাটোৰ ভিতৰত সোমাওঁ সোমাওঁ হওঁতেই টিকনীতে থাপ মাৰি ধৰিলোঁ।

নফুৰা— ই আমাৰ দেখোন বিষয়খনৰ মূৰতেই টাঙ্গোন মাৰিব খুজিছিল। মৰা-শৰ ভিতৰত সোমাই ল'ব পৰা হ'লে ই আমাক ভাবুকি হে দিলেহেঁতেন পাই।

কাল— বলাঁ, এতিয়া মহাৰাজৰ ওচৰলৈ লৈ যাওঁ। তেখেতে যি কৰে কৰিব।

( যমৰজাৰ ওচৰত খঙ্গালক হাজিৰ কৰে। )

যম— তোৰ ক'ব-লগীয়া কি আছে ?

কাল— মহাৰাজ, তাৰ ক'ব-লগীয়া থাকক নেথাকক, আমাৰ ক'ব-লগীয়া বহুত আছে। এই মানুহটোৱে আমাৰ হাতৰপৰা চাপলি মেলি গৈ মৰা-শটোৰ ভিতৰত সোমাবলৈ গৈছিল। টিকনীতে থাপ্ মাৰি ধৰি হে কোনো মতে আনিব পাৰিলোঁ।

যম— (খঙাললৈ চাই) তই কিয় পলাইছিলি ?

খঙাল— বাটত আনোঁতে ইহঁতে নানা ৰকমে মোক ভেঙুচালি কৰি আহিছিল। মোৰ খং উঠি দুইকো দুপাট চৰ শোধাই দিলোঁ। সিহঁতে চৰ খাব-লগীয়া কাম কৰিছিল। মোৰ গাত দোষ নাই বুলিব লাগে। পাচে, সিহঁতে দুটা মানুহে ধৰি এটা মানুহক কাপুৰুষৰ দৰে পিঠিত পাৰেমানে ভুকুৱাবলৈ ধৰিলে। বিতত হৈ মই পলাই লৰ মাৰিছিলোঁ সঁচা।

যম— বাৰু তই যি পাপ কৰিছিলি, সেই সম্পৰ্কে তোৰ ক'ব-লগীয়া আছে নে ?

খঙাল— মহাৰাজ, মই খঙাল প্ৰকৃতিৰ মানুহ — ইমানেই মোৰ পাপ। খং দমন কৰিব নোৱাৰি নানা উভওালি কৰিছিলোঁ। খং উঠিলে মোৰ হিতাহিত জ্ঞান নাথাকে। এবাৰ এজন লগৰীয়াৰে সৈতে হাবিত খৰি লুৰিবলৈ গৈছিলোঁ। কথাই-কথাই দন্দ লাগি তাৰ মূৰতে এটা টাঙোন মাৰিলোঁ। মূৰ ফুৱাল হৈ সি তাতে পৰি মৰিল। ঘৰলৈ আহি

বাঘে খালে বুলি উলিয়াই দিলোঁ। প্ৰকৃত ঘটনাৰ কোনেও ফুটকৈ নাপালে। আপুনি তাৰ গম পালে নে নাই, ক'ব পৰা নাই। যি হওক, মই এতিয়া নিজে সৈ কাঢ়িছোঁ। খঙতেই মোৰ নিজৰো বহুত অপকাৰ হৈছে। মোৰ ক'ব-লগীয়া একো নাই। মুঠতে ইয়াকে কওঁ, যে মই খং দমাব নোৱাৰিলোঁ। সেই খঙৰ বশৱৰ্ত্তী হৈয়েই আপোনাৰ দূতকেই অপমান কৰিলোঁ। ধৰ্ম্ম-অৱতাৰ, ধৰ্ম্ম মতে দণ্ড বিহক, মূৰ পাতি লওঁ।

যম— দূত, তইতঁক অপমান কৰাৰ বাবে কি শাস্তি দিলে ভাল পাৰি ?

কাল— মোৰ মনেৰে আন একো কৰিব নালাগে, ইয়াৰ টিকনী ডাল কাটিব লাগে। ইয়াৰ খঙৰ বাহ-টো কাটিলেই আমাৰ হেঁপাহ পলাব।

সফু— হজুৰ, মোৰো সেয়ে মত।

যম— বাৰু তাকে কৰিবি। (খঙাললৈ চাই) পৃথিৱীত অনুষ্ঠিত পাপৰ নিমিত্তে তই ম'হ হৈ জন্ম লবি।

(দূতে খঙালক ধৰি লৈ যায়।)

যম— আজিলৈ সভা ভঙ্গ হওক।

(সকলোৰে প্ৰস্থান।)

পঞ্চম দৰ্শন।

(দূত আৰু এজন সংসাৰ-লিপ্ত মনুহৰ প্ৰৱেশ।)

সংসাৰ-লিপ্ত— (গীত)— অকলে অকলে অ' কেৰীমেৰী,
আহিলোঁ বান্ধে তোমাকে এৰি।
চকুৰে এন্ধাৰ দেখিছোঁ সংসাৰ,
দেখা দিয়াঁ দিয়াঁ এফেৰি॥

কাল— এই মানুহটোৰ কথা শুনি হাঁহিতে মোৰ পেটৰ নাড়ী-ভুৰু ছিগিব-লগীয়া হ'ল। হেৰ, নৰ-মনিচ, এইখন সংসাৰ নে কি? তীৰ্থ কৰিবলৈ আহিছোঁ যেন তোৰ মনত লাগিছে নে কি?

সংসাৰ-লিপ্ত—এই ঠাইৰ নো নাম কি? হেৰ', কেৰীমেৰী-কো লৈ আহিলিহেঁতেন যদি! মোৰ মনটোৱে ডেও-টুপাল পাৰিব লাগিছে। মই তাইক এৰি থাকিব নোৱাৰোঁ।

সফু— হেৰ, সেইজনী তোৰ ঘৈণীয়েৰ নে কি? এইখন যমপুৰী। তই মৰিলি, জানিছ নে? আমাকে যমৰ টেকেলা বোলে।

সংসাৰ-লিপ্ত— কেৰীমেৰী মোৰ আইটীৰ মাক হয়। তাইক জানো আনিব নোৱাৰিলিহেঁতেন?

কাল— তোৰ ঘৈণীয়েৰলৈ দেখোন বৰ মৰম! তাই মৰিলে তই ভাল হে পাৱ!

সংসাৰ-লিপ্ত— জীৱনে-মৰণে লগ এৰা-এৰি হ'বৰ আমাৰ মন নাই, বুজিছা নে? তোমালোক ডঙ্গুৰা মানুহ হ'ব পায়। নহলে তোমালোকৰ মনটো ইমান কটুৰ কিয়?

সফু— আমি জানো 'মানুহ' ? তোৰ সমান এটা অজ-গোঁ নাই।

সংসাৰ-লিপ্ত— এৰা বোপাই, সদায় 'মানুহ' বুলি থাকোঁ মুখতে 'মানুহ' ওলাল।

কাল— কেৰ্বীমেৰ্বীৰ পৰমায়ু আছে, এতিয়া কেনেকৈ আনিম। পৰমায়ু যেতিয়া অন্ত হ'ব, তেতিয়া আনিবই লাগিব।

সংসাৰ-লিপ্ত— তেতিয়া আনিলে মোৰ ঘৰলৈ লৈ যাবা দেই।

সফু— তই বা তেতিয়া ক'ত থাক গৈ! তোৰ দশা কি হয়, যমৰজাৰ ওচৰ পালে গৈ জানিব পাৰিবি।

সংসাৰ-লিপ্ত— যমৰজাই থাকিলৈ পঁজা এডুখৰি নিদিব নে? ভালেকৈ কেৰ্বীমেৰ্বীক লৈ যাবা।

কাল— আমি সেইবোৰ কথা কেনেকৈ জানিম। তই বা কি পাপ কৰিছিলি, তই হে জান।

সংসাৰ-লিপ্ত— টেকেলা ককাই, মই একো পাপ কৰা নাই। মই কেৰ্বীমেৰ্বীক এৰি থাকিব নোৱাৰোঁ, ইয়াকেই মোৰ পাপ বা পুণ্য যি বোলা।

সফু— বাৰু, যমৰজাৰ আগত তোৰ ক'ব-লগীয়া কি আছে, ক'বি। তেখেতে কিবা বিধান দিয়েই বা।

(সংসাৰ-লিপ্তক আনি যমৰজাৰ আগত হাজিৰ কৰে।)

যম— তোৰ কি ক'ব-লগীয়া আছে?

সংসাৰ-লিপ্ত— দেউতা ঈশ্বৰ, কেৰ্বীমেৰ্বীক যদি আনি

দিয়ে, তেন্তে বন্দীব একো ক'ব-লগীয়া নাথাকে।

যম— কেৰীমেৰী নো কোন্? তোৰ পাপৰ নিমিত্তে তই এতিয়া শাস্তি ভুঞ্জিব লাগিব। সেই বিষয়ে তোৰ কিবা ক'ব-লগীয়া আছে নে নাই, তাকে হে সুধিছোঁ।

সংসাৰ-লিপ্ত— কেৰীমেৰীক আনি দিলে হে মোৰ মুখৰ মাত ওলাব! তাইক এৰি আহি মোৰ গাত জুই জ্বলিছে।

যম— মই বুজিছোঁ। তই দুৰ্ঘোৰ সংসাৰী।

চিত্ৰ— ইয়াৰ নিচিনা সংসাৰ-লিপ্ত মানুহ বিৰল। এই আসক্তিৰ নিমিত্তেই ই বহু পাপ আচৰণ কৰিছিল। ইয়াৰ ঘৈণীয়েকৰ মন-তুষ্টি কৰিবৰ নিমিত্তে, এনে কাম নাই যি কাম ই কৰিব নোৱাৰিছিল।

সংসাৰ-লিপ্ত— সেইটো সঁচা। সকলো পাপ আপোনা-লোকৰ বহিত লিখা আছেই। মোক সুধিলে নো কি হ'ব? (যমৰজালৈ চাই) দেউতা, কেৰীমেৰীক অনাই দিব নোৱাৰিব জানো?

যম— (খাতা পৰীক্ষা কৰি) তাইৰ আৰু ১বছৰ আয়ুষ আছিল। কিন্তু তাই এদিন আত্মহত্যা কৰিব খুজিছিল। সেই বাবে তাইৰ আয়ুস অন্ত পৰিছে হি।

সংসাৰ-লিপ্ত— (বঙ্গত জঁপিয়াই) হেঁকাই টিলিকি বাওঁ, মাগুৰ মাছৰ খোলা খাওঁ। দেউতা, কেৰীমেৰীক আনিবলৈ এতিয়াই টেকেলা এজন পঠাই দিয়ক।

(দূতলৈ চাই) হেৰা টেকেলা, নোবোৰা নো বেলৈ ?

যম— সময়ত হ'ব। তোৰ পাপৰ নিমিত্তে তই চাকৈ চৰাই হৈ জন্ম লবি।

সংসাৰ-লিপ্ত— (কান্দি কান্দি) তেনেহলে কেৰীগেৰীক কেনেকৈ দেখিবলৈ পাম ?

যম— দেখিবলৈ পাবি। তাই তোৰ ঘৈণীয়েৰ হৈ জ ল'ব। নৈৰ এপাৰে তই থাকিবি, সিপাৰে চকোৱা থাকিব। সদায় চাই থাকিব পাৰিবি।

সংসাৰ-লিপ্ত— লগ নাপাম নে ?

যম— লগ নাপাব। সেয়ে তোৰ শাস্তি হ'ব। দূত, ইয়াক লৈ যা।

(কালফুৰা-সফুৰাই সংসাৰ-লিপ্তক ধৰি আতঁৰায়।)

যম— আজিলৈ সভা ভঙ্গ হওক।

(সকলোৰে প্ৰস্থান।)

ষষ্ঠ দৰ্শন।

(দূত আৰু এগৰাকী নাচনীৰ প্ৰবেশ। )

নাচনী— (প্ৰণাম কৰি) অধিনীৰ শত সেৱা গ্ৰহণ কৰিব।

যম— এনে সুন্দৰী তিৰোতা মই জনমত দেখা নাই। যমপুৰীলৈ যিবিলাক মানুহ আহে, সেইবিলাক সকলো কুৎসিতাকাৰ। পাপত সিহঁতৰ মুখৰ আৰ্য্যা বিকৃত হৈ যায়। কিন্তু এই ছোৱালীটি যেনিবা স্বৰ্গৰ অপেচৰী হে। মোৰ মনটো বৰকৈ আকৃষ্ট হৈছে। (ফুটাই) সুন্দৰী, তোমাক দেখা পাই আজি মই

14148

নিজকে ভাগ্যবান বুলি মানিছোঁ। তোমাৰ ইতিহাস চিত্ৰগুপ্তৰ খাতাত লিখা আছে। তেওঁ সভালৈ আহিলে সকলো জনা যাব। বাৰু, এতিয়া কোৱাঁ-চোন, তুমি এনে কোমল বয়সতে নো কেনেকৈ যম-পুৰীলৈ আহিবলৈ পালা?

নাচনী— মোৰ নাম ইন্দুমতী, সুশিক্ষিত মানুহৰ কন্যা। তেওঁ ওস্তাদ ৰাখি মোক নৃত্য-গীত ভালকৈ শিকাইছিল। মোৰ গুণত ভোল গৈ বহুত মানুহ মোৰ প্ৰেমাকাঙ্ক্ষী হ'ল। এজন প্ৰেমিকৰ প্ৰাণ-হত্যা কৰিছিলোঁ। সেয়ে মোৰ অপৰাধ। মই নিজে অস্ত্ৰাঘাত কৰা নাই। এজন সুপুৰুষে মোৰ হতুৱাই বিষ-ক্ৰিয়াৰ দ্বাৰা সেই কাৰ্য্য কৰালে। মোৰ অপৰাধ ধৰা নপৰিল। কিন্তু ভয়তে মোৰ কলিজা শুকাই গ'ল। সেয়ে বনি হৈ শেষত জ্বৰ হ'ল আৰু সেই ৰোগতে মোৰ মৃত্যু ঘটে। মোৰ পাপৰ ফলত আজি আপোনাৰ নিচিনা মোহিনী-মোহন পুৰুষৰ লগ পালোঁ!

যম— আহা! এনে মিঠা মাত মই আজিলৈকে শুনা নাই। তোমাৰ যদি কিবা পাপ হৈছিল, সেই পাপ মোৰ গাতৈল টানি ললোঁ!

(চিত্ৰগুপ্তৰ প্ৰবেশ আৰু আসন গ্ৰহণ।)

বিশ্ব-ব্ৰহ্মাণ্ডৰ অনিন্দনীয় সৌন্দৰ্য্যৰ অৱমাননা হ'ব নোৱাৰে। হে সুন্দৰী, গান এটি গাই তোমাৰ কণ্ঠৰ শব্দ-ব্ৰহ্মৰ আভাস দিবা নে?

চিত্র— (মনে মনে) আজি ৰজাৰ অৱস্থা বিসঙ্গতি। আজি যমৰ প্ৰেম ! আচৰিত কথা !

নাচনী — ( গীত )

মিছা হ'ল মোৰ আজি আহ্লাদ-বাহিনী মালা।
কাকে নো পিন্ধাওঁ মালা, কান্দিছোঁ নিচলী বালা ॥
শুনি তোমাৰ প্ৰেমৰ গীতি, কান্দি আছোঁ দিনে ৰাতি,
কিয় হে কণীয়া কানাই মোহিনী বাঁহী বজালা ॥
হৃদয়-আসন শুদা, বাঢ়িছে প্ৰেমৰ ক্ষুধা,
এবেলি বজাই বাঁহী, কতে নো কেনি লুকালা ॥

যম— মই অমৃত-পান কৰিছোঁ, কিন্তু এনে সোৱাদ আজিলৈকে পোৱা নাছিলোঁ । ধন্য ধন্য তোমাৰ কণ্ঠস্বৰ ।

নাচনী— হে মহাৰাজ, গানৰ প্ৰকৃত ৰস পাবলৈ এফেৰি মদ্যপান কৰিব লাগে ! অমৃতৰ দ্বাৰা অমৰ হ'ব পৰা যায়, কিন্তু মদ্যপানৰ দ্বাৰা যুগব্যাপী আনন্দ তিলেকতে উপভোগ কৰিব পাৰি ।

যম— আমি সোমৰস পান কৰোঁ ।

নাচনী— সোমৰসৰ তেজ কুমলীয়া। পৃথিবীত যি মদ চলিত আছে, তাৰ তেজ চোকা। সেই মদ ইয়াত পাবলৈ নাইকিয়া ।

যম— সেই মদো আছে। মই তাক খোৱা নাই। পাপী দৈত্যবিলাকৰ নিমিত্তে তাকো আমি আনি থওঁ । দূত —

কালফুৰা-সফুৰা— হুজুৰ।

যম— দৈত্যৰ বন্দীশালৰপৰা একলহ মদ লৈ আহ গৈ। যা, তুৰন্তে।

কালফুৰা-সফুৰা— ভাল। চকুৰ পচাৰতে আমি আনি দিম।

( দূত গৈ তৎক্ষণাত একলহ মদ ধৰাধৰিকৈ লৈ আহে। )

যম— (মদ পিয়ে) সুন্দৰী, আৰু এটি গান গোৱাঁ। এই বাৰ নাচিব লাগিব।

নাচনী— ( গীত গায় আৰু নাচে। )

( গীত। )

শূন্যে শূন্যে উড়ি ফুৰোঁ নাচনী পখিলা।
নাচি নাচি খেলোঁ কত প্ৰেমময়ী লীলা।
নাচোঁ এনি তেনি,
বনৰে হৰিণী,
কিয় তুমি হিয়াৰ মাজত লহৰী তুলিলা।

যম— ( আৰু মদ পিয়ে ) তুমিয়েই নাৰায়ণ নে কি? তুমিয়েই মোহিনী ৰূপ ধৰি মহাদেৱক বিচেষ্টা কৰিছিলা নে কি? এই আঙ্গঠিটো দিছোঁ, সোণৰৰণী-স্বৰূপে পিন্ধি থাকাঁ! আহাঁ, মই তোমাৰ আঙ্গুলীটিত পিন্ধাই দিওঁ। ( আঙ্গঠি পিন্ধায় ) যোৱৈল নাপাহৰিবা দেই।

নাচনী— এনে কথা কয় নে? আপোনাক পাহৰাৰ

আগৈয়ে মই মোৰ নিজকে পাহৰি যাম।

যম— তোমাক কি বৰ লাগে কোৱাঁ।

নাচনী— অপোনাৰ চৰণত যেন অদ্বিতীয়ে দুকুৰি বছৰ সেৱা জনাই থাকিবলৈ পাওঁ, ইয়াত বাজে আন বৰ মোক একো নালাগে। মই আপোনাৰ চিৰ-আশ্ৰিত প্ৰেমৰ-ভিখাৰিণী নিচলী মহিলা।

যম— হে সুন্দৰী, তুমি মোৰ মনৰ অভিলাষ কেনেকৈ জানিলা? তুমি মানৱী নে মায়াবিনী? দুকুৰি বছৰ তুমি মোৰ পাট-ৰাণী হৈ থাকিবা। আহা! আজি মোৰ হৃদয়-হ্ৰদত অসংখ্য পাৰিজাত জকমকাইছে।

নাচনী— আপোনাৰ বাক্য অখণ্ডনীয়। মোতকৈ আজি আৰু কোন্ সুখী আছে। যি স্বয়ং মৃত্যুৰ অধিকাৰী, তেওঁ আজি মোৰ স্বামী। কিন্তু, প্ৰভু, আমাৰ বিবাহ-সংস্কাৰ হ'ব লাগে। মই আপোনাৰ পাট-ৰাণী হম যেতিয়া ধৰ্ম্ম-পত্নী হব লাগিব। বিবাহ নহলে ধৰ্ম্ম-পত্নী হব নোৱাৰোঁ।

যম— চিত্তৰ মিলনেই বিবাহ। এই মুহূৰ্ত্ততে আমাৰ বিবাহ হৈ গল।

নাচনী— নজ। প্ৰভু, আপুনি কৈছিল "তোমাৰ যদি' কিবা পাপ হৈছিল সেই পাপ মোৰ গাতৈ টানি ললোঁ।"

যম— অৱশ্যে কৈছিলোঁ। এতিয়াও কওঁ। এশ বাৰ সেই কথা কওঁ। তোমাৰ যি পাপ আছিল, সেই

পাপ মই গালৈ আনি ধ্বংস কৰি পেলালোঁ।

নাচনী— প্ৰভু, এটা কথাত হে মোৰ বৰ বেয়া লাগে। মানুহবিলাকক কিয় যমপুৰীত ইমান যন্ত্ৰনা দিয়া হয়?

যম— পৃথিবীত পাপ অচৰণ কৰিলে ফলভোগ কৰিবই লাগিব। যমপুৰী পাপীৰ ঠাই। নিষ্পাপী ইয়াত থাকিব নালাগে।

নাচনী— যমপুৰীত নিষ্পাপীক ৰাখিবৰ আপোনাৰ অধিকাৰ নাই নে কি?

যম— নিষ্পাপী মানুহক বন্দী কৰিবৰ মোৰ ক্ষমতা নাই।

নাচনী— তেনেহলে মোক আপুনি কেনেকৈ ৰাখিব? মোৰ সমুদায় পাপ আপুনি ধ্বংস কৰি পেলালে।

যম— (উচাৰ খাই) কি ক'লা? অতি আচৰিত কথা।

নাচনী— মই নিষ্পাপী, আপুনি মোক যমপুৰীত ৰাখিব নোৱাৰে।

যম— সঁচা কথা। তেনেহলে তোমাক এতিয়া ওভোতাই পঠাই দিব লাগে। নহলে বিপদ হব পাৰে।

নাচনী— বিপদ নহয়। মোৰ মৃতদেহৰ সৎকাৰ এতিয়াও হোৱা নাই। কাইলৈ হে তাৰ সৎকাৰ হব। বন্ধু-বান্ধব ইষ্ট-কুটুম্ব আহি চাবৰ নিমিত্তে মৰা-শ কেইটা দিনলৈও সজাই পৰাই ৰাখিবৰ ব্যৱস্থা আমাৰ মাজত চলিত আছে। কিন্তু আন এটা বিপদ আছে। আপুনি বৰ দিছিল, মই প্ৰেমাশ্ৰিতভাবে দুকুৰি বছৰ আপোনাৰ লগত থাকিম।

যম— পাচে, কি হল ?

নাচনী— মই যদি পৃথিবীত থাকিম, আপুনিও স্বামীৰূপে মোৰ লগত থাকিবলৈ প্ৰতিজ্ঞা-বদ্ধ ।

যম— হাঁয় হাঁয়, মদ্যপানৰ দ্বাৰা আজি ভীষণ অনৰ্থ-পাত হল ! যমপুৰী নাইকিয়া হব নে !

চিত্ৰগুপ্ত— প্ৰভু, ভয় নকৰিব, আপোনাৰ অনিষ্ট একো নহয় । আপুনি এই সুন্দৰীৰ লগত নিৰ্দ্দিষ্ট-কাল সুখ-ভোগ কৰিব পাৰিব ।

যম— যমপুৰী কেনেকৈ চলিব ?

চিত্ৰ— ৪০ বছৰ কাল মই হেলাৰঙ্গে আপোনাৰ হৈ 'এক্‌টিং' কৰিব পাৰিম ।

যম— অৱশ্যে সেই কামৰ ভাৰ অস্থায়ীৰূপে তোমাৰ গাত দিব পাৰিম ।

নাচনী— প্ৰভু, মোৰ এতিয়া বয়স ২০ বছৰ । এতিয়া আপুনি পৃথিবীত উপজিলে মোৰ স্বামী কেনেকৈ হব পাৰিব ? এই বিষয়ে মোৰ ঘোৰ সন্দেহ উপস্থিত হৈছে ।

( চিত্ৰগুপ্তই যমৰজাৰে সৈতে ভিতৰ-বিশ্বাসত কথা পাতে । তাৰ পাচত যমে নাচনীক সম্বোধন কৰি কয় । )

যম— তুমি যাৰ নিমিত্তে এজন মানুহক হত্যা কৰিছিলা, তেওঁ দেখিবলৈ কেনেকুৱা ?

নাচনী— তেওঁৰ ৰূপ এনে মধুময় যে মই তাক বৰ্ণনা কৰিব নোৱাৰোঁ । তেওঁৰ বয়স মাথোন ২৫ বছৰ ।

কেনৈ নো সুধিলে ?

যম— তেওঁৰ কাইলৈ মৃত্যু-কাল উপস্থিত।

নাচনী— কি কলে ! মই গলে আৰু তেওঁৰ শ্ৰীমুখ দেখিবলৈ নাপাম নে ?

যম— বিত্তত নহবা, অৱশ্যে পাবা। তেওঁ তোমাৰ বেজাৰুত বিষপান কৰিব। তেওঁৰ জীউ যেতিয়া বাজ হব, সেই চেগতে মই গৈ তেওঁৰ শৰীৰত অধিষ্ঠিত হম গৈ চিকিৎসা চলি থাকিব। লাহে লাহে তেওঁ সংজ্ঞা লাভ কৰিব। মানুহে ভাবিব, চিকিৎসাৰ গুণত ভাল হৈছে।

নাচনী—তেনেহলে আপোনাৰে মোৰে বিবাহ হব পাৰিব।

যম— অৱশ্যে। ৪০ বছৰ একেলগে থাকিম। আমি অতি সুখেৰে জীৱন অতিবাহিত কৰিম। সেই ৪০ বছৰৰ ভিতৰত পৰিয়ালৰ ভিতৰত একো মৃত্যু নঘটে।

নাচনী— তেনেহলে বন্দবস্ত সকলো ঠিক হল।

যম— ( আসনৰপৰ উঠি চিত্ৰগুপ্তক আসনত বহুৱায়। ) চিত্ৰগুপ্ত, ৪০ বছৰৰ নিমিত্তে তোমাক ৰাজ্যভাৰ দিলোঁ। ( নাচনীলৈ চাই ) ব'লা, আমি পৃথিৱীলৈ যাওঁ গৈ। ( নাচনী আৰু যমৰ প্ৰস্থান। )

চিত্ৰ— কালফুৰা-সফুৰা, তহঁতে আজিৰপৰা মোৰ কিঙ্কৰ হলি। মই এতিয়া ভিতৰলৈ যাওঁ। ( প্ৰস্থান। )

( কালফুৰা-সফুৰাৰ গীত। )

কেনে নো ফতুৰা যমটো অজলা হেৰাং।
তিৰীয়ে কৰিলে তেওঁক লৰা-তৰাং॥
চিত্রগুপ্তই পালে ফল,
ঘপক্-কৰে ৰজা হল,
উঠি বহিল মৰা আপীৰ মৰা শুকান জাং॥

প্রস্থান।

## পৰিশিষ্ট।

( পৃথিবী—ইন্দুমতীৰ ঘৰ। সমজুৱা সকলে শোকাকুল-ভাৱে ইন্দুমতীৰ মৃতদেহ নিৰীক্ষণ কৰে। )

ইন্দুমতীৰ মাক— চোৱাঁ হি চোন, মোৰ আয়ে দেখোন চকুটো পচাৰিছে!

১ম সমজুৱা—আপুনিও ভাল কৈছে। এনে কথা হব পাৰে নে?

ইন্দুমতীৰ মাক— চোৱাঁ বাৰু, আকৌ পচাৰিছে।

২য় সমজুৱা— হয় দেখোন। অজ্ঞান হৈ আছিল হবলা।

( চাৰিও পোনে আনন্দৰ কোৢাল হয়। ইন্দুমতীয়ে হাত এখন লৰায় আৰু কথা কয়। )

ইন্দুমতী— কি হল?

৩য় সমজুৱা— তুমি মৰিছিলা নহয়। ঈশ্বৰে পৃথিবীৰ-গৰা এনে সৌন্দৰ্য্য নষ্ট কৰিব নোখোজে।

ইন্দুমতী— মোৰ গাৰপৰা মৰা-ঢাকনীখন গুচাই দিয়াঁ। মই সকলো বৃত্তান্ত তোমালোকৰ আগত কওঁ। মোক পানী এটোপা খাবলৈ দিয়াঁচোন।

( মৰা-ঢাকনী গুচাই দিয়েঁ। নাচনীয়ে পানী খায়; তাৰ পাচত বহে। )

ইন্দুমতী— মই যমপুৰী দেখি আহিলোঁ। যমৰজা এনে সুন্দৰ পুৰুষ, তোমালোকৰ আগত কলে নপতিয়াবা। গানত তেওঁৰ বৰ ৰাপ। মোক গান গাবলৈ কৈছিল। মই দুটা গান গালোঁ। তেওঁ গানত মুগ্ধ হৈ দয়া কৰি মোক আকৌ পঠিয়াই দিলে।

৩য় সমজুৱা— আহা, গানৰ কি মহিমা! তাতে তোমাৰ মুখৰ গান!

২য় সমজুৱা— মোৰ হলে কথাটোত বিশ্বাস হোৱা নাই। এওঁ অজ্ঞান হৈ আছিল আৰু ইতিমধ্যতে এইটো সমাজিক দেখিলে।

১ম সমজুৱা— (২য় সমজুৱাৰ কাণে কাণে কয়) যমপুৰীৰপৰা অহা কথাটো সমূলি ফাঁকি। নিজৰ গৌৰৱ বঢ়াবৰ নিমিত্তে এনে ফাঁকটি উলিয়াইছে।

নাচনী— মই জানিছোঁ, তোমালোকে মোৰ কথাত অবিশ্বাস কৰিছা। (আঙুলী এটা উলিয়াই) চোৱাঁচোন এইটো যমৰজাৰ আঙঠি হয় নে?

( সকলোৱে যমৰজাৰ নামাঙ্কিত জ্যোতির্ম্ময় অপাৰ্থিৱ ধাতুৰ আঙঠি চাই বিস্ময় মানে। )

সকলোৱে— ধন্য ধন্য গুনৱতী কন্যা!

ইন্দুমতী— ইয়াত মোৰ নিজৰ যশস্যা নাই। এই ঘটনাই কেৱল গানৰ মাহাত্ম্য ঘোষনা কৰিছে। পৃথিবীৰ মানুহে গানৰ মহিমা এতিয়াও উপলব্ধি কৰিব পৰা

নাই। মৃত্যুৰ গৰাকি যমৰজাকো গানে বশীভূত কৰিব পাৰে। সৰস্বতীয়ে বীণা বজায়, সিও গানৰ মাহাত্ম্য বুজায়। নাৰদে গানৰ দ্বাৰা ঈশ্বৰৰ স্তুতিবাদ কৰে। তাৰপৰাও গানৰেই মাহাত্ম্য ঘোষিত হয়। স্বয়ং শ্ৰীকৃষ্ণে সেই কথাৰেই সংসাৰত ধ্বনি তোলে। পৃথিবীত গানৰ মাথোন অনাদৰ হয়। গায়িকাক আমাৰ মানুহে ওখ আসন নিদিয়ে। আজি মই সকলোৰে আগত চিঞৰি কওঁ যে যি জাতিৰ মাজত গানৰ চৰ্চ্চা নাই, সেই জাতি উধাৰ নোহাৰে। সকলো মানুহেই গান গাবলৈ যত্ন কৰক। দেখিবা, যাৱতীয় ওখ ভাববিলাকে সজীৱতা লাভ কৰিব। চতুৰ্ব্বেদ গানৰ সমষ্টি মাথোন।

( গীত। )

গানৰ মহিমা ঘোষিছে পৃথিৱী।
গানৰ মহিমা ঘোষিছে অটৱী।
গানৰ মহিমা ঘোষিছে আকাশ।
গানৰ মহিমা ঘোষিছে বতাস।

গানেই খেলিছে মহা সমুদ্ৰত।
গানেই খেলিছে মানস-হ্ৰদত।
গানেই ভেদিছে হিমালয়-শৃঙ্গ।
গানকে গাইছে বনপায়ী ভৃঙ্গ।

গোৱাঁ গান সৱে অসমীয়া নাৰী।
বাজক তোমাৰ নবজা টোকাৰি।
উঠক লহৰী অসমত আজি।
উঠাঁ সৱে নাৰী নৱসাজে সাজি।

---

যবনিকা পতন।

DIBRUGARH ... COLLEGE
14148
LIBRARY
Accession No.

Printed by Anangadhar Rajkhowa at the Brahmaputra Press, Rehabar
Dibrugarh and published by author.